বহি থকা টুলখনৰ পৰা জাঁপ মাৰি থিয় হ'ল।

ৰাজখোৱাই নুমাই যোৱা ছিগাৰেটৰ টুকুৰাটো আৱৰ্জনা পেলোৱা লেতেৰা বাস্কেটটোলৈ দলিয়াই দিলে। এইবাৰ তেওঁ দুহতীয়া ৰাইডাংডাল খামোচ মাৰি ধৰিলে। ধৰাপ, ধৰাপ শব্দৰ লগত বন্দীটোৰ মুখেৰে ওলোৱা বিকট চিঞৰ মিহলি হৈ গ'ল। প্ৰতিটো ধৰাপ শব্দৰ লগে লগে পুতুলৰ বুকুখনতো বুজাব নোৱৰা আঘাত একোটাই খুন্দিয়াই থৈ গ'ল। ৰাজখোৱাৰ হাতৰ দুহতীয়া ৰাইডাং একে গতিৰে চলি থাকিল। এসময়ত মানুহটোৰ আঁঠু দুটা বেঁকা হৈ গ'ল; মূৰটো সন্মুখলৈ হাওলি গ'ল। ৰাজখোৱাৰ ৰাইডাঙৰ কোব এইবাৰ তাৰ পিঠিত পৰিল। পিছফালে বান্ধি থোৱা হাত দুটাৰ কিলাকুটিত পৰা ৰাইডাঙৰ কোবে বন্দীটোৰ শৰীৰৰ ভিতৰত জুই একুৰা জ্বলাই দিলে। সেই জুইত সি ভিতৰৰপৰা দহিবলৈ ধৰিলে। ভৰিৰ সৰু গাঁঠিৰপৰা জুইকুৰা বাঢ়ি আহি আহি এটা সময়ত তাৰ আঁঠু, কঁকাল, যৌনাংগ, নাভি, কলিজা, কণ্ঠনলী, আনকি তাৰ চকু দুটাও পুৰি পেলালে। পুতুল আৰু ৰৈ থাকিব নোৱাৰিলে। ছাই হৈ যোৱা বন্দীটোৰ বিষ্ঠাৰ গোন্ধ তাৰ নাকত লাগিল। সি বন্ধ দুৱাৰখনত জোৰে জোৰে ঢকিয়াবলৈ ধৰিলে।

ৰাজখোৱাৰ হাতৰ লাঠীডাল ফাটিছিটি টুকুৰা-টুকুৰ হৈ সৰি পৰিল। বিষ্ঠাৰ দ'মটো নেওচি তেওঁ পুতুলক ঠেলি ইণ্টাৰ'গেশ্যন ৰুমৰপৰা বাহিৰ ওলাই গ'ল। ৰাতিৰ ভিতৰতে শটো নি নাতিদূৰৰ পাহাৰত পেলাই থৈ আহিবগৈ চিৰস্তাদাৰ আৰু পুতুলে মিলি। এইটো কাম সিহঁতে আগতেও কৰিছে। উগ্ৰপন্থীৰ বিৰুদ্ধে অভিযান চলোৱাৰ দিনবোৰ সিহঁতৰ মনত আছে। চৰকাৰৰ ছত্ৰছায়াতে উগ্ৰপন্থীবোৰক ধৰি আনি টুকুৰা-টুকুৰকৈ কাটি হয় বৰনৈৰ বালিত পুতি থোৱা হৈছিল, নহয় পাহাৰৰ গভীৰত পেলাই দিয়া হৈছিল। অৱশ্যে কচাইৰ কামখিনি উগ্ৰপন্থীহঁতৰ ভূতপূৰ্ব সহযোগীবোৰেই কৰিছিল। ৰাজখোৱাৰ নিচিনা পুলিছ বিষয়া কিছুমানেও এইবোৰ কামত সহায় কৰিছিল। পুতুল নিজেও বহুবাৰ 'অপাৰেশ্যন'ত গৈছিল। মানুহ মৰা-কটাটোও নিচাৰ দৰে। এবাৰ-দুবাৰকৈ নিচা লোৱাৰ পাছত অভ্যাস হৈ যোৱাৰ দৰে মানুহ মৰা-কটাতো এবাৰ-দুবাৰ ভাগ লোৱাৰ পাছত নিচা হৈ যায়। তাৰ মনত আছে আত্মসমৰ্পণ কৰা উগ্ৰপন্থী এটাই এবাৰ কোৱা এষাৰ কথা। তেতিয়া ৰাজধানী চহৰখনতে কেম্প পাতি আছিল আত্মসমৰ্পণ কৰা ভূতপূৰ্ব উগ্ৰপন্থী গোট এটা। চৰকাৰৰ ছত্ৰছায়াত থাকি সিহঁতে অতীতৰ সতীৰ্থহঁতৰ বিৰুদ্ধে 'অপাৰেশ্যন' চলাইছিল। ৰাতি ৰাতি নম্বৰ নোহোৱা চৰকাৰী জিপছি গাড়ীত উঠি সিহঁতে তেতিয়াও আত্মসমৰ্পণ নকৰা উগ্ৰপন্থীহঁতৰ ঘৰ-পৰিয়ালত বিভীষিকাৰ সৃষ্টি কৰিছিল। উগ্ৰপন্থী ধৰিব নোৱাৰিলে সিহঁতৰ অঙহী-বঙহী কাৰোবাকে ধৰি আনি ওৰে ৰাতি অকথ্য শাস্তি দি মাৰি পেলাইছিল। শবোৰ কাটি টুকুৰা টুকুৰ কৰি নৈৰ বালিত পুতি থোৱা নহ'লে পাহাৰৰ খোৰোঙত পেলাই দিয়া দস্তুৰটো সিহঁতেই আৰম্ভ কৰিছিল। পুতুলৰ মনত আছে সেই সময়ত পুলিছ-প্ৰশাসনত অপাৰেশ্যনৰ দায়িত্বত থকা বিষয়া এজনেই কচাইবোৰক ৰক্ষণাবেক্ষণ দিছিল, অস্ত্ৰ-শস্ত্ৰৰ যোগান ধৰিছিল, ঠিকা-ঠুকলি লৈ দুদিনতে কোটিপতি হোৱাৰ ব্যৱস্থা কৰি দিছিল। আকৌ সেইজন অফিছাৰৰ তলতীয়া অফিছাৰকে দি নৈৰ বালিত আৰু পাহাৰৰ খোৰোঙত ওলোৱা মানুহৰ শৰীৰৰ মাংসপিণ্ডবোৰ কাৰ, ক'ৰপৰা আহিল, কোনে তাত পেলালে, এইবোৰ গুপ্তহত্যা নে উগ্ৰপন্থীহঁতে লোৱা প্ৰতিশোধ, এনেবোৰ তথ্য উলিওৱাৰ নামত তদন্তৰ ভেকোভাওনা চলোৱা হৈছিল। ৰাজখোৱা আছিল সেইজন অফিছাৰৰে দলৰ এজন অতি উৎসাহী ছাব-ইন্সপেক্টৰ। মানুহ মৰাৰ চখ তেওঁৰো গাত ভালকৈয়ে লাগিছিল। চৰকাৰ সলনি হোৱাৰ পাছত এইবোৰ ঘটনাৰ তদন্ত ঘোষণা কৰা হ'ল। শাস্তি কাকো দিব পৰা নগ'ল যদিও সকলো সাৱধান হৈ গ'ল। আত্মসমৰ্পণকাৰী উগ্ৰপন্থীহঁতক লৈ গঠন কৰা কাউণ্টাৰ-ইনছাৰ্জেন্সি গোটবোৰ ভাঙি দিয়া হ'ল। ডাঙৰ বিষয়াজনৰ তলতীয়া তেওঁৰ খাচ মানুহখিনিক বেলেগ বেলেগ ঠাইত ভাল ভাল পোষ্টিং দি বদলি কৰি দিয়া হ'ল। তদন্তৰো ৰিপৰ্ট ওলাল। কিন্তু ঘটনাবোৰ চৰকাৰৰ জ্ঞাতসাৰে হৈছিল বুলি কোৱাৰ বাহিৰে কোনো তথ্য-প্ৰমাণ তদন্তকাৰী আয়োগে সংগ্ৰহ কৰিব নোৱাৰিলে। নতুন চৰকাৰখনেও বেছিদিন বিষয়টো লৈ হৈ-চৈ নকৰিলে। বিষয়াজনকো প্ৰম'শ্যন দিলে। কথাবোৰ ভাবি ভাবি পুতুলৰ মূৰ গৰম হৈ যায়। গোটেইখন কিবা খেলিমেলি লাগি যায়।

পুতুলৰ মুখে বন্দীটোৰ উশাহ-নিশাহ বন্ধ হৈ যোৱা বুলি শুনি চিৰস্তাদাৰ লৰি আহিল। পেচাব আৰু পায়খানাৰ গোন্ধৰ লগতে ইণ্টাৰ'গেশ্যন ৰুমৰ কিনাৰেদি বৈ যোৱা মিউনিচিপেলটিৰ নলাটোৰ উৎকট দুৰ্গন্ধই চিৰস্তাদাৰৰ পেটৰ নাড়ী-ভুঁৰু বাহিৰ কৰি দিব খুজিলে। নাকত সোপা দি চিৰস্তাদাৰে কোনোমতে পুতুলক ক'লে—

"কৃষ্ণ ছুইপাৰকো গুৰুলাগুৰুলকৈ খুন্দি থানাৰ বাহিৰ কৰি দিলে বৰবাবুৱে। এতিয়া এইবোৰ কোনে চাফা কৰিব?'

পুতুলৰো চিন্তা হ'ল। কাষ্ট'ডিয়েল ডেথৰ এলিগেশ্যন আহিলে অ'ছি পৰক নপৰক চিৰস্তাদাৰ আৰু সি যে জালত পৰিব সেইটো খাটাং। অ'ছি বাবুৰ ৰাজধানীলৈকে হাত আছে। চিৰস্তাদাৰো কিবাকৈ সাৰি যাব পাৰে। তাৰহে মৰণ হ'ব। অগত্যা গু-মূত চাফা কৰাৰ কামটোও সিয়েই কৰিলে। দুমোনীয়া বস্তা এটাত শটো ভৰাই চিৰস্তাদাৰ আৰু ড্ৰাইভাৰৰ লগত গৈ পাহাৰৰ খোৰোঙত পেলাই থৈ আহিল। ড্ৰাইভাৰে আগতেও দুই-এটা এনেকুৱা কাম কৰিছে। সেইফালৰপৰা সি মুখ খোলাৰ ভয় নাই। চিৰস্তাদাৰ আৰু পুতুলৰ মুখত কাহানিবাই তলা লাগিছে উগ্ৰপন্থী দমনৰ কালিকালগা দিনবোৰৰপৰাই। অ'ছি ৰাজখোৱাই পাছদিনা সিহঁতক গাইপতি বিছ হাজাৰকৈ টকা দি ক'লে—

"বাপেকৰ নাম নোহোৱা জহৰা এটাৰ কাৰণে ষাঠি হাজাৰ টকা খৰচ কৰিলোঁ, ধুৰ চালা।"

(আগলৈ)

ঠিকনা ঃ জুৰিপাৰ পথ, তৃতীয় গলি, পাঞ্জাবাৰী, গুৱাহাটী-৭৮১০৩৭, ফোন ঃ ৯৪৩৫০৪৬৮৯২

## প্ৰান্তিকৰ লেখক-লেখিকালৈ অনুৰোধ

- লেখক-লেখিকাসকলে আমালৈ কোনো লেখা পঠিয়ালে লেখাটোৰ প্ৰতিলিপি এটা নিজৰ হাতত ৰাখিবলৈ অনুৰোধ কৰা হ'ল।
- অপ্ৰকাশিত লেখা যথা সময়ত ওভতাই পাবলৈ হ'লে লেখাটোৰ লগতে নিজৰ সম্পূৰ্ণ নাম, ঠিকনা লিখা লেফাফাত উপযুক্ত ডাক টিকেট লগাই পঠাব লাগে। অপ্ৰকাশিত লেখা সংৰক্ষণ কৰা নহয়।
- যোগাযোগৰ সুবিধাৰ বাবে লেখাৰ লগত পিন ক'ডসহ লেখক-লেখিকাৰ সম্পূৰ্ণ ঠিকনা আৰু ফোন নম্বৰ থকা উচিত।
- **টেলিফোন যোগে কোনো লেখাৰ প্ৰাপ্তিস্বীকাৰ অথবা লেখাটো প্ৰকাশ হ'বনে নহয়, হ'লে কেতিয়াকৈ হ'ব—আদি প্ৰশ্নৰ উত্তৰ দিয়াটো আমাৰ বাবে সম্ভৱপৰ নহয়।**
- এইক্ষেত্ৰত আমি সকলোৰে সহযোগিতা কামনা কৰিলোঁ।
- প্ৰবন্ধ-পাতি তলৰ ঠিকনাতহে পঠাবলৈ অনুৰোধ কৰা হ'ল।

**সম্পাদক, প্ৰান্তিক**
নৰগিৰি পথ, চানমাৰি,
গুৱাহাটী-৭৮১০০৩